# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-JAN-2026
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
## Headlines
------------------

১। কোকৰাঝাৰৰ কাৰিগাঁৱৰ শেহতীয়া সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ ৰাজ্য চৰকাৰৰ আৰ্থিক সাহায্য প্ৰদান।

২। সমগ্ৰ ৰাজ্যতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উৎসাহ-উদ্দীপনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন।

৩। জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি বিনিময় প্ৰথাৰ হাট মুকলি।

**আৰু**

৪। ৰায়পুৰত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কোকৰাঝাৰৰ কাৰিগাঁৱৰ শেহতীয়া সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰে। এই অনুসৰি সংঘৰ্ষত নিহত হোৱা দুজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ, আহত ৩ জনৰ পৰিয়ালৰ এক লাখ টকাকৈ আৰু ক্ষতিগ্ৰস্ত ৪৩টা পৰিয়াললৈ ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। মন্ত্ৰীগৰাকীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সৈতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাক্ষাৎ কৰি এই এককালিন সাহায্যৰ চেক প্ৰদান কৰে। শ্ৰীমল্লবৰুৱাই জিলাখনত সংঘৰ্ষত লিপ্ত হোৱা দুয়োটা সম্প্ৰদায়ৰ লোকসকলে বৰ্তমান শান্তি শৃংখলা বজাই ৰখাৰ বিষয়টোত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে বিটিআৰ খণ্ডত শান্তি শৃংখলা বজাই ৰখাৰ লগতে ক্ষতিগ্ৰস্তসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

০০০০০

সমগ্ৰ ৰাজ্যতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা আজি উৎসাহ-উদ্দীপনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন কৰা হয়। ৰাজ্যখনৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ লগতে অন্যান্য শিক্ষা প্ৰতিষ্ঠানত আজি পুৱাৰে পৰা বাগদেৱীৰ পূজা অৰ্চনা কৰা হয়। ধৰ্মীয় ৰীতি-নীতিৰে মা সৰস্বতীক আকৰ্ষণীয়কৈ সজাই বেদীত প্ৰতিষ্ঠা কৰি জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীৰ শ্ৰীচৰণত ছাত্ৰ-ছাত্ৰীসকলে আশিস লয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠান তথা বিভিন্ন আবাসিক অঞ্চলত সৰস্বতী পূজাৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ অসম জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদিত আজি ছাত্ৰ-ছাত্ৰীৰ লগতে আন ভক্তিপ্ৰাণ ৰাইজৰো সমাগম পৰিলক্ষিত হয়। আকাশবাণী গুৱাহাটীৰ আৱাসিক চৌহদতো পৰম্পৰাগত ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰে। ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তেজপুৰ, দৰং, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, তামুলপুৰ, দক্ষিণ শালমাৰা মানকাচৰ, ধুবুৰী, শিলচৰ, শ্ৰীভূমি আৰু আন জিলাকেইখনতো আজি বাগদেৱীৰ পূজা যথাবিহিত কাৰ্যসূচীৰে পালন কৰে বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনাইছে।

০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হয়। অসমৰ বিভিন্ন স্থানতো নেতাজীৰ সোঁৱৰণত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। **গুৱাহাটীৰ** পল্টন বজাৰৰ নেতাজী চ'কত আজি সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জন্মদিন উদযাপন সমিতিৰ উদ্যোগত মহান স্বাধীনতা যুঁজাৰুগৰাকীৰ ১৩০ সংখ্যক জন্মদিন উদযাপন কৰা হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মুখ্য অতিথি হিচাপে অংশ লৈ নেতাজীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। মন্ত্ৰীগৰাকীয়ে ভাৰতক ব্ৰিটিছ্ শাসনৰ পৰা মুক্ত কৰাৰ বাবে আজাদ হিন্দ ফৌজ গঠন কৰা নেতাজীৰ অদম্য সাহস আৰু বীৰত্বৰ শলাগ লয়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

**ধুবুৰী** জিলাৰ বিভিন্ন স্থানতো আজি পৰাক্ৰম দিৱস উদযাপন কৰা হয়। জিলাখনৰ পাঁচমূৰত থকা নেতাজীৰ প্ৰতিমূৰ্তিস্থলীৰ লগতে গৌৰীপুৰ, সাপটগ্ৰাম, চাপৰ আদি স্থানতো বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। বিলাসীপাৰাত নেতাজী সেৱা সদনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পৰাক্ৰম দিৱস অনুষ্ঠিত হয়। **গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইত নেতাজী সুভাষ চন্দ্ৰ বসু জন্মদিন উপলক্ষে শোভাযাত্ৰা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। দুধনৈৰ জনমন্দিৰ প্ৰাংগণত বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন আৰু আঞ্চলিক মহিলা ফেডাৰেচনৰ সহযোগত পৰাক্ৰম দিৱস উদযাপন কৰা হয়।

**শিলচৰত** নেতাজীৰ জন্মদিন উপলক্ষে শোভাযাত্ৰা উলিওৱা হয়। নৰসিংতোলা পথাৰৰ পৰা উলিওৱা এই শোভাযাত্ৰাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বিভিন্ন দল সংগঠনৰ সদস্যৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে অংশগ্ৰহণ কৰে।

ooooo

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাত আজি ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মুকলি কৰা বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ্ ধৰা পৰ্ব অনুষ্ঠিত হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ্ ধৰা পৰ্ব মুকলি কৰে। আজিৰ কাৰ্যসূচীৰ সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়–

**ভইচকাষ্ট**

উল্লেখযোগ্য যে কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাৰ অন্তিম দিনা মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

ooooo

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচকাৱাজৰ অনুশীলন কৰি থকা হৈছে। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰাৰ কথা। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

বজালী জিলা প্ৰশাসনৰ উদ্যোগত এইবাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে ইতিমধ্যে কুচকাৱাজৰ অনুশীলন আৰম্ভ হৈছে। কালি জিলাখনৰ ৭ খন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে আৰক্ষী জোৱানে কুচকাৱাজৰ অনুশীলনত ভাগ লয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰবৰ্তীয়ে অনুশীলন প্ৰত্যক্ষ কৰাৰ লগতে যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সেইদিনা জিলা প্ৰশাসনিক বিষয়া আৰু সংবাদ মাধ্যমৰ লোকৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰীকান্দি গাঁৱৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্প এইবাৰ নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজত প্ৰদৰ্শন কৰা হ'ব। ময়ূৰপংখীৰূপত এই শিল্প আটকধুনীয়াকৈ প্ৰদৰ্শন কৰা হ'ব। ইয়াকে লৈ জিলাখনৰ পোৰামাটিৰ শিল্পীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জত আজিৰে পৰা ৯ দিনীয়া কাৰ্যসূচীৰে মানাহ মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ আজি প্ৰথম দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, মুখ্যদ্বাৰ মুকলি, গছপুলি ৰোপণ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। বাঁহবাৰী ৰেঞ্জৰ বন বিষয়া বাৰিণ বড়োৱে মুখ্যদ্বাৰ মুকলি কৰে। উদ্যানখনৰ কাষৰীয়া অঞ্চলৰ জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ, পৰম্পৰাগত সাজপাৰ আদি প্ৰদৰ্শনৰ জৰিয়তে পৰ্যটন উদ্যোগৰ প্ৰসাৰৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ প্ৰতিদিনাই ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰত শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত সম্প্ৰতি ১-০ত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত